RNI Regn. No- AssAss/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ১৮৭ শুকুৰবাৰ ৮ জেঠ ১৯৪৭ শক ২৩ মে' ২০২৫ চন ASOMIYA KHABAR JORHAT FRIDAY 23 MAY 2025 দাম ঃ ৭.০০ টকা

**দিনটোৰ উক্তি**

৩০ মে'ৰ ভিতৰত যদিহে মিত্ৰতা সন্দৰ্ভত কংগ্ৰেছৰ পৰা আনুষ্ঠানিক প্ৰস্তাৱ নাহে তেন্তে ১ জুনৰ পৰা ৰাইজৰ দলে ১২৬টা সমষ্টিতে বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি চলাব। কংগ্ৰেছৰ ভিতৰত ৰ'াত সংঘাত আৰম্ভ হৈছে বুলি অনানুষ্ঠানিকভাৱে জনাইছে। কিন্তু মিত্ৰতাৰ ক্ষেত্ৰত কংগ্ৰেছৰ কোনো আন্তৰিকতা নাই।

*— ৰাইজৰ দলৰ সভাপতি অখিল গগৈ*



কৃতী শিক্ষাৰ্থীক মন্ত্ৰী অতুল বৰাৰ অভিনন্দ

## থাইলেণ্ডৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ সঞ্চালকৰ অংশগ্ৰহণ

# ডিএইছকেত আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২২ মে' ঃ** ঐতিহ্যমণ্ডিত ডিএইছএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ আন্তঃৰাষ্ট্ৰীয় আৰু ঔদ্যোগিক সম্পৰ্ক, নৃতত্ত্ব বিভাগৰ উদ্যোগত আৰু অসম চৰকাৰৰ ঐতিহাসিক আৰু প্ৰাচীন অধ্যয়ন সঞ্চালকালয়ৰ 'আইটিএফচি'ৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস পালন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱসৰ লগত সংগতি ৰাখি ঐতিহ্য সংৰক্ষণ আৰু আন্তঃসাংস্কৃতিক বুজাবুজিৰ প্ৰচাৰত সংগ্ৰহালয়সমূহৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে ডিএইছএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱসৰ ওলগ জনোৱাৰ লগতে এই বিশেষ দিনটোৰ মহত্বৰ বিষয়ে আলোকপাত কৰে। ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই ঐতিহ্য সংৰক্ষণ আৰু সাংস্কৃতিক বুজাবুজিয়ে কিদৰে একোটা জাতিৰ ঐতিহ্য আৰু ইতিহাস সংৰক্ষণত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেই বিষয়ে আলোকপাত কৰে। তেওঁ কানৈ মহাবিদ্যালয়ৰ ইতিহাসত আজিৰ দিনটো এক স্মৰণীয় দিন হৈ ৰ'ব বুলি মতপ্ৰকাশ কৰি দুগৰাকীকৈ অতি গুৰু দায়িত্বসম্পন্ন ব্যক্তিৰ উপস্থিতিয়ে আজিৰ এই অনুষ্ঠানটো অধিক মনোগ্ৰাহী কৰি তুলিব বুলি ব্যক্ত কৰে। আইটিএফচিৰ ঐতিহাসিক আৰু প্ৰাচীন অধ্যয়ন সঞ্চালকালয়ৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড° সংগীতা গগৈ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰে উক্ত অনুষ্ঠানৰ জৰিয়তে কিদৰে অসমৰ ঐতিহ্য সংৰক্ষণৰ বাবে প্ৰচেষ্টা হাতত লৈ আহিছে তাৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে থাইলেণ্ড চৰকাৰৰ খোঁন কেন ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ সঞ্চালক লাক্সামুন বুনৰুৱেং আৰু উক্ত সংগ্ৰহালয়ৰ কিউৰেটৰ কোৰাকোচ পনিছ। অনুষ্ঠানত সঞ্চালক লাক্সামুন বুনৰুৱেঙে ভাষণ প্ৰসংগত থাইলেণ্ডৰ সংস্কৃতিৰ বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰাৰ লগতে কিদৰে ৰাষ্ট্ৰীয় সংগ্ৰহালয়সমূহে কোনো এখন দেশৰ সংস্কৃতিৰ সকলো দিশ সংৰক্ষণ তথা ভৱিষ্যত প্ৰজন্মৰ আগত উপস্থাপন কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে তাৰ বিষয়ে অৱগত কৰে। লগতে তেওঁ উল্লেখ কৰে যে শিলালিপি আৰু খেজুৰ গছৰ পাতত পৌৰাণিক কথা তথা ইতিহাসসমৃদ্ধ বিভিন্নধৰণৰ পৌৰাণিক কীৰ্তি তথা গৌতম বুদ্ধৰ আকৃতিক কিদৰে পৌৰাণিক লিপিসমূহত উপস্থাপন কৰা হৈছে তাৰ বিষয়েও অৱগত কৰে। এনেধৰণৰ পৌৰাণিক লিপি তথা গ্ৰন্থসমূহে লেন চেং ইতিহাস তথা সংস্কৃতিৰ বাহক হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যদি এই লিপিসমূহ সঠিক ৰূপত অনুবাদ কৰিব পৰা যায়, তেন্তে ইতিহাসৰ এক জ্বলন্ত বিৱৰণ এই লিপিসমূহৰ পৰাই পোৱা যাব বুলি তেওঁ মতপোষণ কৰে। নৃ-তত্ত্ব বিভাগৰ অধ্যাপক সূৰয হাজৰিকাই আঁতধৰা অনুষ্ঠানত তেওঁ কয় — শিক্ষানুষ্ঠানসমূহে এইক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই বিষয়সমূহক আৰু বিশদভাৱে সকলোৰে সন্মুখত উপস্থাপন কৰাৰ সময় আহি পৰিছে। থাইলেণ্ডৰ খোন কেইনৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ কিউৰেটৰ কোৰাকোছ পনিছে 'আৰ্ট টয়ছ' আৰু থাইলেণ্ডত ইয়াৰ বৰ্ধিত জনপ্ৰিয়তাৰ গুৰুত্ব দি সংগ্ৰহালয়ৰ বিকাশত ইয়াৰ ভূমিকাৰ বক্তব্য আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে যে কেনেদৰে যোৱা দশকত কলাৰ পুতলাৰ প্ৰতি বৰ্ধিত আগ্ৰহে সংগ্ৰহালয়সমূহৰ বাবে জনসাধাৰণৰ সৈতে সংযোগ স্থাপনৰ নতুন সুযোগ সৃষ্টি কৰিছে। এই ধাৰাই সংগ্ৰহালয়সমূহক সৃষ্টিশীলতাৰ গতিশীল স্থান হিচাপে পুনৰ সংজ্ঞায়িত কৰাত সহায় কৰিব। সংগ্ৰহালয়সমূহক অধিক জনমুখী কৰি তুলিবলৈ উপযুক্ত কিউৰেটৰ অথবা তেনে সমল ব্যক্তিৰ সৃষ্টিয়ে নতুন চাকৰিৰ সন্ধান তথা নজনা কথা জনাৰ সুবিধা সৃষ্টি কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। সভাৰ শেষত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সুনন্দা চাহুৰে। বহু লোক উপস্থিত থাকে।